समग्र शिक्षा
Samagra Shiksha
সমগ্ৰ শিক্ষা

Under CSR Support by
ipca | Foundation



দশম শ্ৰেণীৰ বাবে

ৰাজনীতি আৰু অৰ্থনীতি বিজ্ঞান

অৰ্থনীতি বিজ্ঞান

পাঠ - ১

মুদ্ৰা আৰু বেংক ব্যৱস্থা

অংশ – ৫

ৰিণা ফুকন

समग्र शिक्षा
Samagra Shiksha
সমগ্ৰ শিক্ষা

Under CSR Support by
ipca | Foundation

২। বাণিজ্যিক বেংক

- কেন্দ্রীয় বেংকৰ নির্দেশনাত সঞ্চয়, ঋণ, বাণিজ্য আদিৰ লগত জড়িত কাম-কাজ চলাই প্রত্যক্ষ বা পৰোক্ষভাৱে জনসাধাৰণক সেৱা আগবঢ়োৱা বেংকক সাধাৰণতে বাণিজ্যিক বেংক বুলি কোৱা হয়।

সমগ্র শিক্ষা
Samagra Shiksha
সমগ্র শিক্ষা

Under CSR Support by
ipca | Foundation

বাণিজ্যিক বেংকৰ কাম-কাজৰ বিষয়ে তলত আলোচনা কৰা হৈছে—

১। বাণিজ্যিক বেংকে সঞ্চয় সংগ্রহ কৰে।

➤ এই সঞ্চয় তিনি প্রকাৰৰ —

(ক) চলিত আমানত (Current deposit)

(খ) স্থিৰ আমানত বা কাল আমানত (Fixed deposit)

(গ) সঞ্চয় আমানত (Savings deposit)।

- চলিত জমা মুদ্রা সঞ্চয়কাৰী বা জমাকাৰীয়ে যিকোনো সময়তে উলিয়াব পাৰে।
- স্থিৰ জমা চলিত জমা মুদ্রাৰ দৰে উলিয়াব নোৱাৰিব; জমাকাৰীয়ে সঞ্চয় উলিওৱাৰ আগতে বেংকক পূৰ্বতে অৱগত কৰিব লাগিব।
- সঞ্চয় জমা মুদ্রাৰ ক্ষেত্ৰত প্ৰয়োজন অনুসৰি এটা অংশ উলিয়াব পাৰি কিন্তু আনটো অংশ বেংকৰ অনুমতি সাপেক্ষেহে উলিয়াব পাৰি।

समग्र शिक्षा
Samagra Shiksha
সমগ্ৰ শিক্ষা

Under CSR Support by
ipca | Foundation

২। বাণিজ্যিক বেংকসমূহে ঋণৰ যোগান ধৰে।

- বাণিজ্যিক বেংকে সকলো শ্ৰেণীৰ লোকক ঋণ যোগান ধৰে।
- ঋণৰ সঠিক ব্যৱহাৰে জনসাধাৰণৰ অৰ্থনৈতিক অৱস্থা উন্নত কৰে।
- সাধাৰণতে বাণিজ্যিক বেংকে দীৰ্ঘম্যাদী ঋণ প্ৰদান নকৰে।

- ভাৰতত ২০০১ চনৰ লোকপিয়ল অনুসৰি ভাৰতৰ মুঠ জনসংখ্যাৰ মাত্ৰ ৩৬ শতাংশৰহে বেংক হিচাপ-নিকাচ আছিল।
- ২০১১ চনত ৫৯ শতাংশলৈ বৃদ্ধি পাইছে।
- ২০১৪ (আগষ্ট) চনলৈকে ২১ কোটি ৫ লাখ ভাৰতীয়ৰ বেংক হিচাপ-নিকাচ আছিল।


समग्र शिक्षा
Samagra Shiksha
সমগ্ৰ শিক্ষা

Under CSR Support by
ipca | Foundation

৩। বাণিজ্যিক বেংকসমূহে ঋণ মুদ্রা সৃষ্টি কৰে।

- বাণিজ্যিক বেংকসমূহে ঋণ মুদ্রা সৃষ্টি কৰে।
- প্ৰাথমিক বা নিষ্ক্ৰিয় আমানতৰ ভিত্তিত বেংকসমূহে উদ্ভূত বা সক্ৰিয় আমানত সৃষ্টি কৰে।
- সঞ্চয়কাৰীয়ে বেংকত যি পৰিমাণ সঞ্চয় জমা থয় সেই পৰিমাণটোৱেই হ'ল প্ৰাথমিক বা নিষ্ক্ৰিয় আমানত।

- উদ্ভূত বা সক্রিয় আমানত বেংকসমূহে সৃষ্টি কৰে।
- প্রাথমিক আমানত এটা অংশ জমা ৰাখি বাকীখিনি বেংকসমূহে ঋণ হিচাপে আগবঢ়ায়। ঋণ আগবঢ়োৱাৰ লগে লগে মুদ্রা সৃষ্টিৰ প্রক্রিয়া আৰম্ভ হয়।



- এটা উদাহৰণ লওঁ আহক। ধৰি লওক যে ক, জমাকাৰীয়ে বেংকত ১০০০ মুদ্রা জমা কৰে।
- এইটোৱেই হ'ব প্রাথমিক বা নিষ্ক্রিয় জমা মুদ্রা।
- ধৰি লওক এই মুদ্রাৰ ২০ শতাংশ বেংকে ৰাখে আৰু বাকীখিনি ঋণ হিচাপে আগবঢ়োৱা হয়।

- ঋণৰ পৰিমাণ, সেয়েহে, হ'ব ৮০০।
- বেংকে ২০ শতাংশ ৰাখে যাতে যিকোনো সময়তে গ্ৰাহকৰ চাহিদা পূৰণ কৰিব পাৰে।
- বেংকে গোটেই ১০০০ মুদ্ৰা ঋণ হিচাপে দিব নোৱাৰে।



- এতিয়া ধৰি লওক যে যিজন ব্যক্তিয়ে বেংকৰ পৰা ৮০০ ঋণ লৈছে তেওঁ আন এজন ব্যক্তিক মুদ্রাখিনি দি আন এজন ব্যক্তিক মুদ্রাখিনি আন এজন বেংকত জমা কৰে।
- দ্বিতীয় বেংকেও একেদৰেই ৮০০ ৰ ২০ শতাংশ নিজৰ লগত ৰাখে আৰু বাকীখিনি অর্থাৎ ৬৪০ মুদ্রা ঋণ হিচাপে আগবঢ়ায়।

- দ্বিতীয় বেংকৰ বাবে ৮০০ টকা প্ৰাথমিক বা নিষ্ক্ৰিয় জমা আৰু ৬৪০ টকা সক্ৰিয় জমা হ'ব।
- এতিয়া ৬৪০ টকা তৃতীয় বেংকত (প্ৰাথমিক বা নিষ্ক্ৰিয় জমা) ৰখা হয় যাৰ ভিতৰত ২০ শতাংশ এই বেংকে ধৰি ৰাখে আৰু বাকীখিনি ঋণ, ৫১২ টকা (সক্ৰিয় জমা) হিচাপে আগবঢ়োৱা হয় ইত্যাদি।



- এই প্ৰক্ৰিয়াৰ শেষত জমা মুদ্ৰাৰ মুঠ পৰিমাণ হ'ব

  ১০০০ + ৮০০ + ৬৪০

  ৫১২+.....০ = ৫০০০

- এইদৰে ১০০০ ৰ প্ৰাথমিক বা নিষ্ক্ৰিয় জমাৰ ফলত ৫০০০ টকাৰ ঋণ মুদ্ৰাৰ সৃষ্টি হয়।

समग्र शिक्षा
Samagra Shiksha
সমগ্ৰ শিক্ষা

Under CSR Support by
ipca | Foundation

৪। বাণিজ্যিক বেংকসমূহেও কিছুমান অন্যান্য বিবিধ কাম কৰে।

- মূল্যৱান অলংকাৰ ৰখাৰ বাবে বেংক ল'কাৰৰ সৃষ্টি কৰে ।
- গুৰুত্বপূৰ্ণ নথি-পত্ৰ নিৰাপদ সংৰক্ষক হিচাপে কাম কৰে।
- কিছুমান বেংকে গ্ৰাহক বা জমাকাৰীৰ সম্পত্তিৰ ন্যাসৰক্ষী হিচাপেও কাম কৰে।

समग्र शिक्षा
Samagra Shiksha
সমগ্ৰ শিক্ষা

Under CSR Support by
ipca | Foundation

৩। ভাৰতীয় ঔদ্যোগিক উন্নয়ন বেংক (Industrial Development Bank of India বা IDBI):

- ঔদ্যোগিক প্ৰতিষ্ঠানসমূহলৈ বিত্তীয় সাহায্য প্ৰদান কৰা।
- উদ্যোগসমূহলৈ প্ৰত্যক্ষ আৰু পৰোক্ষভাৱে আৰ্থিক সাহায্য আগবঢ়ায়।
- অৰ্থনৈতিকভাবে পিছপৰা অঞ্চলসমূহৰ উদ্যোগলৈ ৰেহাই সুদৰ হাৰত এই বেংকে ঋণ আগবঢ়ায়।

समग्र शिक्षा
Samagra Shiksha
সমগ্ৰ শিক্ষা

Under CSR Support by
ipca | Foundation

- বেংকটোৰে প্ৰশিক্ষণৰ জৰিয়তে উদ্যোগবিহীন জিলাসমূহত ঔদ্যোগিক উদ্যম বৃদ্ধিৰ বাবে আগভাগ লয়।



समग्र शिक्षा
Samagra Shiksha
সমগ্ৰ শিক্ষা

Under CSR Support by
ipca | Foundation

৪। আঞ্চলিক গ্ৰাম্য বেংক (Regional Rural Bank)

- ১৯৭৫ চনত প্ৰথমতে ৫টা আঞ্চলিক গ্ৰাম্য বেংক স্থাপন কৰা হয়।
- এই বেংকে সম্পাদন কৰা মূল কাম দুটা হ'ল-
  - বেপাৰী, মহাজনসকলৰপৰা অত্যধিক সুদ দি ঋণ লোৱা গাঁওবাসীলৈ অতি কম সুদৰ হাৰত ঋণ প্ৰদান কৰি দুখীয়া গাঁওবাসীক সকাহ দিয়া ।

समग्र शिक्षा
Samagra Shiksha
সমগ্ৰ শিক্ষা

Under CSR Support by
ipca | Foundation

- গ্ৰাম্য সঞ্চয় সংগ্ৰহ কৰি বিভিন্ন উৎপাদনমূলক কাৰ্যত সেই সঞ্চয় ব্যয় কৰা।
- ভাৰতবৰ্ষত বৰ্তমান (২০১৪ চন) ৫৭টা আঞ্চলিক গ্ৰাম্য বেংক কাৰ্যকৰী হৈ আছে।

समग्र शिक्षा
Samagra Shiksha
সমগ্ৰ শিক্ষা

Under CSR Support by
ipca | Foundation

৫। কৃষি আৰু গ্ৰাম্য উন্নয়নৰ ৰাষ্ট্ৰীয় বেংক (National Bank for Agriculture and Rural Development বা NABARD):

- ১৯৮২ চনত নাবার্ড (NABARD) স্থাপন কৰা হৈছিল।
- ভাৰতীয় ৰিজার্ভ বেংকে গ্ৰাম্য ঋণৰ ক্ষেত্ৰত কৰা কামসমূহ সকলো নাবার্ড লৈ হস্তান্তৰ কৰা হৈছে।

समग्र शिक्षा
Samagra Shiksha
সমগ্ৰ শিক্ষা

Under CSR Support by
ipca | Foundation

NABARD ৰ মূল কার্য্যসমূহ —

- গ্রাম্য অঞ্চলত বিনিয়োগ আৰু উৎপাদনৰ সৈতে জড়িত সকলো প্রতিষ্ঠানৰ ভিতৰত নাবার্ড হৈছে শীর্ষ বিত্তীয় প্রতিষ্ঠান।
- নাবার্ডে ঋণ প্রদানৰ প্রক্রিয়া, গ্রাম্য আঁচনিৰ পুনৰীক্ষণ, প্রশিক্ষণ আদি কার্যসূচীৰ আয়োজন কৰে।

- কেন্দ্রীয় চৰকাৰ, ৰাজ্য চৰকাৰ, ভাৰতীয় ৰিজাৰ্ভ বেংক ইত্যাদিয়ে আৰম্ভ কৰা গ্ৰাম্য উন্নয়নৰ বাবে বিভিন্ন আঁচনিৰ সমন্বয় ৰক্ষা কৰে নাবার্ডে।



समग्र शिक्षा
Samagra Shiksha
সমগ্ৰ শিক্ষা

Under CSR Support by
ipca | Foundation

৬। ভাৰতীয় ক্ষুদ্ৰ উদ্যোগ উন্নয়ন বেংক (Small Industries Development Bank of India বা SIDBI)

- ১৯৮৯ চনত ছিডবি গঠনৰ বিধেয়ক গৃহীত হয়।
- ১৯৯০ চনৰ পৰা চিডবিয়ে নিজৰ কাম-কাজ আৰম্ভ কৰিছিল।
- SIDBI ৰ মুখ্য কার্যালয় লক্ষ্ণৌত।



समग्र शिक्षा
Samagra Shiksha
সমগ্র শিক্ষা

Under CSR Support by
ipca | Foundation


SIDBI ৰ মূল কার্য্যসমূহ —

- ক্ষুদ্ৰ উদ্যোগত উন্নত প্ৰযুক্তিৰ আধুনিকীকৰণ আৰু প্ৰয়োগ প্ৰসাৰ কৰা।
- ক্ষুদ্ৰ উদ্যোগসমূহৰ উৎপাদিত সামগ্ৰীৰ বাবে বজাৰ সৃষ্টি কৰা।
- ক্ষুদ্ৰ উদ্যোগসমূহত অধিক কৰ্মসংস্থাপনৰ সুযোগ সৃষ্টি কৰা।

समग्र शिक्षा
Samagra Shiksha
সমগ্র শিক্ষা

Under CSR Support by
ipca | Foundation

- আর্থিক সাহায্য আগবঢ়ায় —
  - ৰাজ্যিক বিত্তীয় নিগম,
  - শিল্প নিগম,
  - বাণিজ্যিক বেংক,
  - সমবায় বেংক
  - আঞ্চলিক গ্রাম্য বেংক



समग्र शिक्षा
Samagra Shiksha
সমগ্ৰ শিক্ষা

Under CSR Support by
ipca | Foundation

বেংক ব্যৱস্থা বহির্ভূত বা অনা-বেংক বিত্তীয় প্ৰতিষ্ঠানসমূহ (NBFC)

- বেংকৰ দৰে অনা-বেংক বিত্তীয় প্ৰতিষ্ঠানও সঞ্চয়কাৰীৰ পৰা সঞ্চয় সংগ্ৰহ কৰে আৰু এই সঞ্চয়ক বিভিন্ন লোকক ঋণ হিচাপে আগবঢ়ায়।

বেংক আৰু এনবিএফআইৰ মাজত পাৰ্থক্য—

- জমাকাৰীয়ে চেকৰ জৰিয়তে বেংকৰ পৰা মুদ্রা উলিয়াব পাৰিব।
  - অনা-বেংক वित्तीय প্রতিষ্ঠান জমাকাৰীক চেক যোগান ধৰা নহয়।
- বেংকৰ ক্ষেত্রত জমাকাৰীৰ বিপদ আদায় কৰিবলৈ সঞ্চয় বীমা আঁচনি সুবিধা পায়।
  - অনা-বেংক বিত্তীয় প্রতিষ্ঠানৰ এনে বীমাকৰণৰ ব্যৱস্থা নাই।

মূল্যায়ন



1 ঋণ মুদ্রাৰ সৃষ্টি কৰে -

A কেন্দ্রীয় বেংক

B বাণিজ্যিক বেংক

C উদ্যোগীক বেংক

D সমবায় বেংক

মূল্যায়ন



1 | আঞ্চলিক গ্রাম্য বেংক (RRB) স্থাপন কৰা হয় -

A 1972

B 1975

C 1982

D 1985